# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 16-05-2024
**Time :** 19-10 Hrs.

# Assamese Evening Bulletin
## HEADLINES
::::::::::::::::::::::::::::::::::::::::

১। দেশৰ লোকসভা নিৰ্বাচনৰ পৰৱৰ্তী তিনিটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে।

২। লোকসভা নিৰ্বাচনৰ প্ৰথম ৪টা পৰ্যায়ত ৪৫ কোটি ১০ লাখৰো অধিক লোকে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছে।

৩। চৰকাৰে মধুমেহ, হৃদ আৰু যকৃত বিসংগতিৰ দৰে ৰোগৰ চিকিৎসাত বহুলভাৱে ব্যৱহৃত ৪১ বিধ ঔষধৰ মূল্য হ্ৰাস কৰিছে।

৪। ভাৰতীয় তথ্য সেৱাৰ জ্যেষ্ঠ বিষয়া মৌচুমী চক্ৰৱৰ্তীয়ে আজি আকাশবাণীৰ সঞ্চালক প্ৰধান হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। *আৰু*

৫। ভাৰতৰ মীৰাবা লুৱাং মেইছনামে থাইলেণ্ড অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০

লোকসভা নিৰ্বাচনৰ ২০ মে'ত ৪৯ টা সংসদীয় সমষ্টিত হ'বলগীয়া পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে পৰহিলৈ প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। পঞ্চম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ সামৰণিৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। আনহাতে, ২৫ মে'ত হ'বলগীয়া ষষ্ঠ পৰ্যায়ত ৫৭ টা আৰু ১ জুনত সপ্তম পৰ্যায়ত ৫৭ টা লোকসভা সমষ্টিৰ বাবে হ'বলগীয়া নিৰ্বাচনৰ প্ৰচাৰ অভিযানো তীব্ৰতৰ হৈ উঠিছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ জ'নপুৰ জিলাত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। তেওঁ কয় যে, নাগৰিকত্ব সংশোধনী আইন মোদীৰ নিশ্চয়তা উজ্বল নিদৰ্শন। বিজেপিয়ে প্ৰদান কৰা প্ৰতিশ্ৰুতি পূৰণ কৰে বুলিও শ্ৰীমোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, পূৰ্বতে উন্নয়ন অকল ডাঙৰ ডাঙৰ চহৰসমূহতে সীমিত আছিল যদিও বৰ্তমান অযোধ্যা আৰু কাশীৰ দৰে ধৰ্মীয় স্থানসমূহৰো যথেষ্ট বিকাশ হৈছে। ইয়াৰ আগেয়ে আজমগড় জিলাৰ লালগঞ্জত এখন নিৰ্বাচনী সভাক সম্বোধন কৰি শ্ৰীমোদীয়ে কয় যে, সমাজবাদী পাৰ্টী আৰু কংগ্ৰেছ একেটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠি। দুয়োটা দলে মিথ্যাচাৰৰ আশ্ৰয় লৈ আহিছে তথা স্বজন-তোষণ আৰু দুৰ্নীতিত লিপ্ত হৈ আহিছে বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। কংগ্ৰেছক সমালোচনা কৰি তেওঁ কয় যে দলটোৰ প্ৰাক্তন সভাপতিগৰাকীয়ে ৰাম মন্দিৰ সন্দৰ্ভত নেতিবাচক মন্তব্য কৰি আহিছে।

পাছত ভাদোহিত এখন নিৰ্বাচনী সভাত অংশ লৈ শ্ৰীমোদীয়ে কয় যে, শ্ৰীনগৰৰ শেহতীয়া নিৰ্বাচনত হোৱা বিপুল ভোটদানৰ পৰা উপত্যকাটোৰ জনসাধাৰণৰ সন্তুষ্টি প্ৰতিফলিত হৈছে আৰু জম্মু কাশ্মীৰত ভোটবেংকৰ ৰাজনীতিৰ অৱসান ঘটিব ওলাইছে। প্ৰতাপগড় জিলাত আজি নিজৰ অন্তিমখন নিৰ্বাচনী সভাত ভাগ লৈ শ্ৰীমোদীয়ে সমাজবাদী পাৰ্টী আৰু তৃণমূল কংগ্ৰেছৰ মিত্ৰজোটক তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱে মমতা বেনাৰ্জীয়ে পশ্চিমবংগত উত্তৰ প্ৰদেশ আৰু বিহাৰৰ লোকসকলক কিয় বহিৰাগত বুলি কয় সেই বিষয়ে প্ৰশ্ন কৰা উচিত।

প্ৰধানমন্ত্ৰী মোদীয়ে আজি নিশাটো লক্ষ্ণৌৰ ৰাজভৱনত কটাব। তেওঁ কাইলৈ বাৰাবাংকী, ফতেহপুৰ আৰু হামিৰপুৰ সমষ্টিত ৩ খন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব।

ইপিনে, কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ৱাদ্ৰাই আজি ৰায়বৰেলী সমষ্টিত দলৰ হকে প্ৰচাৰ চলায়। প্ৰচাৰ কালত বিজেপিক সমালোচনা কৰি শ্ৰীমতী গান্ধীয়ে কয় যে গেৰুৱা দলটোৱে অনাচাৰ অমান্যতাত উদগণি যোগাই আহিছে। সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱেও বান্দাত এখন নিৰ্বাচনী সভাত ভাগ লৈ বিজেপিক তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে, ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰ দুৰ্নীতিত ডিঙিলৈকে পোত খাই আছে। ফতেহপুৰ জিলাৰ আন এখন নিৰ্বাচনী সভাত শ্ৰীযাদৱে কয় যে, দেশৰ ১৪০ কোটি জনসাধাৰণে এইবাৰৰ নিৰ্বাচনত বিজেপিক ১৪০ খনতকৈ অধিক আসন প্ৰদান নকৰে।

ইপিনে বিজেপিৰ জ্যেষ্ঠ নেতা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বিহাৰৰ সীতামঢ়ীত এখন নিৰ্বাচনী সভাত ভাষণ দি ৫০০ বছৰ পাছত অযোধ্যাত ভগৱান ৰামৰ মন্দিৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাটোৱে শক্তিশালী চৰকাৰৰ ইচ্ছা শক্তিক প্ৰতিফলিত কৰে। তেওঁ ক যে, নৰেন্দ্ৰ মোদীয়ে ৰাম মন্দিৰ নিৰ্মাণ কৰি জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰিছে। তেওঁ লগতে কংগ্ৰেছে ৰাম মন্দিৰৰ বিষয়ত সদায় হোহোকা পিছলা দৃষ্টিভংগী গ্ৰহণ কৰি আহিছে। কংগ্ৰেছ আৰু আৰ জে দিৰ নেতাসকলে ভোটবেংকৰ প্ৰতি থকা ভয়ৰ বাবে ভগৱান ৰামৰ প্ৰাণ প্ৰতিষ্ঠান অনুষ্ঠানত অংশগ্ৰহণ নকৰা বুলি বিজেপি নেতাগৰাকীয়ে অভিযোগ তোলে।

তেওঁ কয় যে জম্মু কাশ্মীৰৰ পৰা ৩৭০ নম্বৰ অনুচ্ছেদ প্ৰত্যাহাৰ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে এখন ৰাষ্ট্ৰ এখন সংবিধান ব্যৱস্থা প্ৰকৃত অৰ্থত ৰূপায়ণ কৰিছে। পাকিস্তান অধিকৃত কাশ্মীৰক ভাৰতৰ সৈতে একীকৃত কৰাৰ এয়াই সময় আহি পৰিছে বুলি তেওঁ মন্তব্য কৰে। ইপিনে, ৰাষ্ট্ৰীয় লোকমৰ্চাৰ প্ৰাৰ্থী তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী উপেন্দ্ৰ কুশ্বাহাই আজি ঔৰংগাবাদৰ দাউদনগৰৰ ঘৰে ঘৰে গৈ প্ৰচাৰ চলায়। মহা মিত্ৰজোটৰ অন্তৰ্গত আৰ জে দি, কংগ্ৰেছ,

বিকাশশীল ইনচান পাৰ্টি আৰু বাও দলৰ নেতাসকলেও আজি ৰাজ্যখনৰ বিভিন্ন সংসদীয় সমষ্টিত নিৰ্বাচনী সভাত ভাগ লয়। আৰ জে দিৰ নেতা তেজস্বী যাদৱে নিৰ্বাচনী প্ৰচাৰ কালত কৰ্মসংস্থাপনহীনতা আৰু প্ৰব্ৰজনৰ বিষয় লৈ বিজেপিক তীব্ৰ সমালোচনা কৰে। মধুবনিত আৰ জে ডিৰ প্ৰাৰ্থীৰ হকে এখন নিৰ্বাচনী সভাত ভাষণ দি শ্ৰীযাদৱে কয় যে, এন ডি এয়ে কেন্দ্ৰ আৰু ৰাজ্যত বহুসময় ধৰি শাসনত আছে যদিও প্ৰব্ৰজনৰ সমস্যা সমাধান কৰাত ব্যৰ্থ হৈছে। বিজেপি আৰু জে ডি ইউ উভয়ে বিহাৰৰ প্ৰকৃত সমস্যাসমূহৰ পৰা আঁতৰি ফুৰা বুলিও তেওঁ মন্তব্য কৰে।

০০০০

লোকসভা নিৰ্বাচনৰ প্ৰথম ৪টা পৰ্যায়ত ৪৫ কোটি ১০ লাখৰো অধিক লোকে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিছে। নিৰ্বাচন আয়োগে আজি এটা বিবৃতিযোগে প্ৰথম ৪টা পৰ্যায়ত সামগ্ৰিক ভোটদানৰ হাৰ ৬৬ দশমিক ৯-৫ শতাংশ হোৱা বুলি উল্লেখ কৰে। ভোটদানৰ উচ্চ হাৰ ভাৰতীয় ভোটদাতাসকলৰ হৈ বিশ্বৰ বাবে বাৰ্তাস্বৰূপ বুলি আয়োগে প্ৰকাশ কৰে। আয়োগে লগতে পৰৱৰ্তী তিনিটা পৰ্যায়ত বিপুল হাৰত ভোটদান কৰিবলৈ ভোটদাতাসকলৰ প্ৰতি আহ্বান জনায়।

আয়োগে কয় যে, বাকী তিনিটা পৰ্যায়ত ভোটদানৰ হাৰ বৃদ্ধিৰ বাবে ই ভোটাৰসকলক উৎসাহিত কৰাৰ বাবে আৰু ভোটদান সুচল কৰি তোলাৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। আয়োগে এই প্ৰয়াসৰ সৈতে জনপ্ৰিয় শিল্পীৰ লগতে ৰাজহুৱা আৰু ব্যক্তিগত সংস্থাকো জড়িত কৰিছে।

০০০০

চৰকাৰে মধুমেহ, হৃদ আৰু যকৃত বিসংগতিৰ দৰে ৰোগৰ চিকিৎসাত বহুলভাৱে ব্যৱহৃত ৪১ বিধ ঔষধৰ মূল্য হ্ৰাস কৰিছে। আৱশ্যকীয় ঔষধ সুলভ কৰি তোলাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় ভেষজ মূল্য নিৰ্ধাৰণ প্ৰাধিকৰণৰ বৈঠকত আজি এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। ঔষধ প্ৰস্তুত কোম্পানীসমূহক বিভিন্ন ঔষধৰ মূল্য হ্ৰাস কৰাৰ বিষয়ে ডিলাৰ আৰু পাইকাৰী বিক্ৰেতাসকলক ততালিকে জনাবলৈ কোৱা হৈছে।

০০০০

ভাৰতীয় তথ্য সেৱাৰ জ্যেষ্ঠ বিষয়া মৌচুমী চক্ৰৱৰ্তীয়ে আজি আকাশবাণীৰ সঞ্চালক প্ৰধান হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। ভাৰতীয় তথ্য সেৱাৰ ১৯৯১ বেটছৰ বিষয়া শ্ৰীমতী চক্ৰৱৰ্তী প্ৰেছ ইনফৰমেশ্বন ব্যুৰ' আৰু কেন্দ্ৰীয় যোগাযোগ ব্যুৰ'কে ধৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ বিভিন্ন সংস্থাত কাম কৰাৰ অভিজ্ঞতা আছে।

০০০০

ভাৰতৰ মীৰাবা লুৱাং মেইছনামে থাইলেণ্ড অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ২১ বছৰীয়া খেলুৱৈগৰাকীয়ে আজি বেংককত অনুষ্ঠিত প্ৰি কোৱাৰ্টাৰ পৰ্যায়ৰ এখন খেলত ডেনমাৰ্কৰ মেডছ্ ক্ৰিষ্টোফাৰছেনক ২১-১৪, ২২-২০ পোনপটীয়া গেমত পৰাস্ত কৰে।

০০০০

বিজেপিয়ে আম আদমী পাৰ্টিৰ সাংসদ স্বাতী মালিৱালৰ সৈতে মুখ্যমন্ত্ৰীৰ বাসগৃহত পুৱা আতিশয্যৰ ঘটনা সন্দৰ্ভত মুখ্যমন্ত্ৰী তথা দলটোৰ মুৰব্বী অৰবিন্দ কেজৰিৱালৰ মৌনতাক লৈ প্ৰশ্ন উত্থাপন কৰিছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিজেপিৰ মুখপাত্ৰ গৌৰৱ ভাটিয়াই এইবুলি অভিযোগ তোলে যে, ঘটনাটোক

লৈ শ্ৰীকেজৰিৱাল অনুতপ্ত নহয় কিয়নো আম আদমী পাৰ্টীৰ মুৰববীগৰাকী আৰু আই এন দি আই মিত্ৰজোটৰ নেতাসকলে মহিলাসকলক কেতিয়াও সন্মান নকৰে। শ্ৰীকেজৰিৱালৰ কথামতে ব্যক্তিগত সহায়কগৰাকীয়ে মাৰপিট কৰা বুলি অভিযোগ উত্থাপন কৰি মুখপাত্ৰগৰাকীয়ে এয়া সচাকৈ চিন্তাৰ বিষয় বুলি মন্তব্য কৰে। তেওঁ কয় যে কেজৰিৱালে এই বিষয়ত উত্তৰ দিয়া উচিত আৰু যদিহে তেওঁ শব্দও কব নোৱাৰে তেন্তে মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰা উচিত।

০০০০

ৰাষ্ট্ৰীয় তদন্ত সংস্থাই পাকিস্তানৰ নিষিদ্ধ সন্ত্ৰাসবাদী সংগঠন জইছ্-ই-মহম্মদৰ এজন শীৰ্ষ সন্ত্ৰাসবাদীৰ ৭ টা স্থাৱৰ সম্পত্তি জব্দ কৰিছে। আজি কাশ্মীৰৰ পুলৱামা জিলাৰ কিছাৰিগামত সন্ত্ৰাসবাদী সৰ্তাজ আহমেদৰ সম্পত্তি জব্দ কৰা হয়। ২০২০ চনৰ জানুৱাৰী মাহত সৰ্তাজক গ্ৰেপ্তাৰ কৰাৰ লগতে তেওঁৰ পৰা কেইবাটাও অস্ত্ৰ-শস্ত্ৰ, গোলা-বাৰুদ আৰু বিস্ফোৰক সামগ্ৰী উদ্ধাৰ কৰা হৈছিল।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ্ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। হায়দৰাবাদে বৰ্তমানলৈকে ১৪ পইণ্ট অৰ্জন কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ চতুৰ্থ স্থানত আছে। শুভমন গিল নেতৃত্বাধীন গুজৰাট টাইটানছ্ ১১ পইণ্টেৰে অষ্টম স্থানত আছে।

০০০০

ঃঃ সমাপ্ত ঃঃ